MAA
एक संकल्प

অসম চৰকাৰ

NATIONAL HEALTH MISSION
ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান, অসম

# চিকিৎসালয়ৰ বাবে স্তনপান সম্পৰ্কীয় নীতি

অনুমোদিত নৱজাতক আৰু সৰু শিশুৰ খাদ্য (আইৱাইচিএফ) নিয়মাৱলীসমূহ পালন কৰি আমাৰ চিকিৎসালয়ে স্তনপানৰ প্ৰচাৰ, সুৰক্ষা আৰু সমৰ্থন জনায়। এই নিয়মাৱলীসমূহ হৈছে ঃ

- জন্মৰ এক ঘণ্টাৰ ভিতৰত স্তনপান আৰম্ভ কৰা, মাকৰ ছালৰ সৈতে ছালৰ সংস্পৰ্শলৈ অহা, প্ৰাক-স্তনপান আহাৰ তথা কৃত্ৰিম গাখীৰৰ ব্যৱহাৰ আদি বন্ধ কৰা, স্বাভাৱিক আৰু চিজাৰিয়ান পদ্ধতিৰে প্ৰসৱ কৰা মাতৃসকলক চিকিৎসালয়ত থকা সময়ত কেৱল মাত্ৰ স্তনপান কৰাবলৈ সহায় কৰা
- আমাৰ চিকিৎসালয়ত জন্মৰ এক ঘণ্টাৰ ভিতৰত স্তনপান আৰম্ভ কৰাৰ তথ্য ৰখা আৰু প্ৰতিবেদন দিয়াৰ বাবে এক প্ৰতিষ্ঠিত প্ৰণালী আছে
- স্তনপান কৰোৱাত সহায় কৰিবলৈ আমাৰ কৰ্মচাৰীৰ পৰ্যাপ্ত জ্ঞান, দক্ষতা আৰু কাৰ্য-কুশলতা আছে। আমাৰ প্ৰসূতি সেৱাত প্ৰশিক্ষিত কৰ্মচাৰীৰ (এমঅ'/এছএন/এএনএম) উপলব্ধতা আমি নিশ্চিত কৰোঁ
- আমি গৰ্ভৱতী মহিলা আৰু তেওঁলোকৰ পৰিয়ালক প্ৰাক-প্ৰসৱকালীন ক্লিনিকত সাক্ষাতৰ সময়ত স্তনপানৰ গুৰুত্ব আৰু প্ৰয়োজনীয় ব্যৱস্থাপনা সম্পৰ্কে পৰামৰ্শ দিওঁ
- আমাৰ কৰ্মচাৰীসকলে তাৎক্ষণিকভাৱে তথা নিৰৱচ্ছিন্নভাৱে মাকৰ ছালৰ সৈতে ছালৰ সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত সহায় প্ৰদান কৰে আৰু স্বাভাৱিক আৰু চিজাৰিয়ান প্ৰসৱ দুয়োটাতে মাতৃসকলক জন্মৰ পিছত যিমান সম্ভৱ সোনকালে স্তনপান আৰম্ভ কৰাবলৈ সহায় কৰে
- আমাৰ কৰ্মচাৰীসকলক প্ৰশিক্ষণপ্ৰাপ্ত আৰু স্তনপান আৰম্ভ আৰু বাহাল ৰখাৰ বাবে প্ৰয়োজনীয় অৱস্থান, স্তনত সংলগ্ন কিদৰে কৰিব দেখুৱাই দিয়ে তথা সাধাৰণ স্তনপানৰ অসুবিধাবোৰ নিৰাময় কৰাৰ ক্ষেত্ৰত মাতৃসকলক সহায় কৰে
- আমি নৱজাতকক প্ৰাক-স্তনপান আহাৰ প্ৰদান কৰা অভ্যাসক উৎসাহিত নকৰোঁ। কেৱল চিকিৎসাজনিত কাৰণৰ বাহিৰে আমি নৱজাতকক মাতৃদুগ্ধৰ বাহিৰে আন কোনো খাদ্য বা তৰল প্ৰদান নকৰো।
- আমি মাতৃ আৰু নৱজাতকক একেলগে থাকিবলৈ আৰু প্ৰতিদিনে ২৪ ঘণ্টা একেটা কোঠাত শিশু আৰু মাতৃ থকাৰ অনুশীলন কৰিবলৈ উৎসাহিত কৰোঁ। চিকিৎসাজনিত কাৰণৰ বাহিৰে আমাৰ চিকিৎসালয়ে নৱজাতক আৰু মাতৃক পৃথক নকৰে
- আমাৰ কৰ্মচাৰীয়ে মাতৃসকলক গাখীৰৰ বটল, কৃত্ৰিম নিপুল আৰু পেচিফায়াৰ ব্যৱহাৰৰ বিৰুদ্ধে তথা ইয়াৰ পৰা হ'ব পৰা বিপদৰ বিষয়ে পৰামৰ্শ দিয়ে
- আমাৰ কৰ্মচাৰীসকলে মাতৃসকলক জন্মৰ সময়ত কম ওজনৰ আৰু আগতীয়াকৈ জন্ম হোৱা নৱজাতকক স্তনৰ পৰা গাখীৰ উলিওৱা (ইবিএম) আৰু নৱজাতকক ইবিএম কেনেকৈ খুৱাব সেই বিষয়ে প্ৰশিক্ষণ প্ৰদান কৰে তথা সহায় আগবঢ়ায়
- চিকিৎসালয়ৰ পৰা চুটি হোৱাৰ পিছত আমাৰ চিকিৎসালয়ে অভিভাৱকসকলক সময়মতে পাবলগীয়া শিশুৰ যত্নৰ বিষয়ে উপযুক্ত তথ্য প্ৰদান কৰে। এই তথ্য চুটি কাগজৰ সাৰাংশত লিপিবদ্ধ কৰা হয়
- আমি আইএমএছ আইন সম্পূৰ্ণৰূপে পালন কৰোঁ আৰু আমাৰ চৌহদত আইনখনৰ তলত উল্লেখ কৰা ধৰণে **কোনো উলংঘনৰ অনুমতি নিদিওঁঃ**

  ১) আইএমএছ আইন অনুসৰি 'নৱজাতকৰ বিকল্প গাখীৰ', 'আহাৰ খুওৱা বটল' আৰু 'নৱজাতকৰ খাদ্য'ৰ প্ৰচাৰ কৰা

  ২) এনে 'সামগ্ৰী' ব্যৱহাৰ বা বিক্ৰী সম্পৰ্কীয় প্লেকাৰ্ড বা পোষ্টাৰ প্ৰদৰ্শন তথা ব্যৱহাৰ কৰা

  ৩) মাতৃ বা তেওঁৰ পৰিয়ালৰ যিকোনো সদস্যক নৱজাতকক কৃত্ৰিম খাদ্য খুওৱাৰ প্ৰদৰ্শন কৰা

  ৪) এনে সামগ্ৰীৰ ব্যৱহাৰৰ প্ৰচাৰৰ বাবে যিকোনো প্ৰত্যক্ষ বা পৰোক্ষ বিত্তীয় প্ৰলোভন লাভ কৰা

  ৫) কোনো কৰ্মচাৰী বা ব্যক্তিৰ দ্বাৰা যিকোনো সভা, চেমিনাৰ, সন্মিলন, কৰ্মশালা আৰু প্ৰশিক্ষণ আদি অনুষ্ঠিত কৰা, যিয়ে এনে সামগ্ৰী উৎপাদন, যোগান, বিতৰণ বা বিক্ৰী কৰে

  ৬) কেঁচুৱাৰ গাখীৰ আৰু বিকল্প খাদ্যৰ প্ৰচাৰৰ বাবে স্বাস্থ্যকৰ্মী বা যিকোনো স্বাস্থ্যকৰ্মী সংগঠনক কোনো অৱদান বা আৰ্থিক সুবিধা আগবঢ়োৱা বা প্ৰদান কৰা।

**ওপৰোক্ত সমস্যাবোৰৰ মোকাবিলা কৰিবলৈ আমাৰ চিকিৎসালয়ত এক সমন্বয়ক ব্যক্তি/সমিতি আছে**

GOVERNMENT OF ASSAM

National Health Mission, Assam

# Breastfeeding Policy
## for the Hospital

**Our hospital promotes, protects and supports breastfeeding by ensuring adherence to recommended infant and young child feeding (IYCF) practices as under:**

- Initiation of breastfeeding within one hour of birth, skin- to -skin contact, discouraging pre-lacteal feeds and use of milk formula, supporting mothers to practice exclusive breastfeeding during their stay in the hospital, both in normal and caesarean deliveries
- Our hospital has an established system for recording and reporting of initiation of breastfeeding within one hour of birth
- Our staff have adequate knowledge, competence and skills to support breastfeeding. We ensure availability of trained staff (MO/SNs/ANMs) in our maternity services
- We counsel pregnant women and their families on the importance and management of breastfeeding during ante-natal clinic visits
- Our staff facilitate immediate, uninterrupted skin-to-skin contact and support mothers to initiate breastfeeding as soon as possible after birth both in normal and caesarean deliveries
- Our staff are trained and support mothers to initiate and maintain breastfeeding by demonstrating positioning and attachment and managing common difficulties
- We discourage the practice of providing pre-lacteal feeds to newborn. We do not provide any food or fluids other than breast milk to the newborn except on medical indications
- We encourage mothers and their newborns to remain together and to practice rooming-in 24 hours a day. Our hospital does not separate the newborn and the mother, unless medically indicated
- Our staff counsels mothers against the use and risks of feeding bottles, teats and pacifiers
- Our staff support low-birth weight and preterm infants by imparting skills to mothers such as how to express breast milk (EBM) and feed EBM to newborn
- Our hospital provides appropriate information and linkages to the parents to have timely access to ongoing support and care after discharge from the hospital. This information is recorded in the discharge summary
- We fully comply with the IMS Act and **do not allow any violation of the Act in our premises including:**
  - i. Promotion of 'infant milk substitutes', 'feeding bottles' and 'infant foods' as per the IMS Act
  - ii. Display of placards or posters related to use or sale of such 'products'
  - iii. Demonstration of infant formula feeding to a mother or to any member of her family
  - iv. Any direct or indirect financial inducement to promote use of such products
  - v. Conducting any meetings, seminars, conferences, workshop and training etc. by an employee or person, who produces, supplies, distributes or sells such 'products'
  - vi. Offering or giving any contribution or pecuniary benefit to a health worker or any association of health workers to promote infant milk and food substitutes.

**Our hospital has a nodal person/ committee to deal with the above issues**